# আত্মনির্ভৰ ভাৰত

## অংশ-৩: কৃষি

১৫.০৫.২০২০

सत्यमेव जयते

Government Of India



# কালি ঘোষণা কৰা কৃষক সম্বন্ধীয় ঘোষণাসমূহ

**১. নাবাৰ্ডৰ জৰিয়তে কৃষকসকলৈ ৩০,০০০ কোটি টকাৰ অতিৰিক্ত জৰুৰীকালীন কৰ্ম মূলধনী**

নাবাৰ্ডে ৩০,০০০ কোটি টকাৰ ওপৰত  অতিৰিক্ত পুনৰ বিত্তপোষণৰ সমৰ্থন আগবঢ়াব আৰু ৯০,০০০ কোটি টকাতকৈও অধিক টকা ইতিমধ্যেই গ্ৰামীণ সমবায় বেংক আৰু আৰআৰবিসমূহলৈ প্ৰদান কৰা হৈছে।

- ৩ কোটি কৃষকক উপকৃত কৰিব, বিশেষকৈ ক্ষুদ্ৰ আৰু প্ৰান্তৱৰ্তীসকলক।

**২. কিষাণ ক্ৰেডিট কাৰ্ড আঁচনিৰ অধীনত ২.৫ কোটি কৃষকৰ উত্তৰণৰ বাবে ২ লাখ কোটি টকাৰ ঋণ**

- কিষাণ ক্ৰেডিট কাৰ্ডৰ জৰিয়তে পিএম-কিষাণ হিতাধিকাৰীসকলৈ  ৰেহাইমূলক ঋণ প্ৰদানৰ বিশেষ আঁচনি।
- এই আঁচনিত মাছমৰীয়া তথা পশুপালকসকলো অন্তৰ্ভুক্ত হ’ব।
- ২.৫ কোটি কৃষকলৈ ২ লাখ কোটি টকাৰ অতিৰিক্ত নগদী সংবহন হ’ব।



# কৃষিঃ ক’ভিডৰ সময়ত গ্ৰহণ কৰা অতিৰিক্ত পদক্ষেপসমূহ

- কৃষকসকলৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ কালি বৰ্ণনা কৰা হৈছিল।
- বিগত ২ মাহত গ্ৰহণ কৰা অতিৰিক্ত পদক্ষেপসমূহত তলত বৰ্ণনা কৰা হৈছে
- লকডাউনৰ সময়ছোৱাত ন্যূনতম সমৰ্থন মূল্যত (এমএছপি) ক্ৰয়ৰ পৰিমাণ ৭৪,৩০০ কোটি টকাতকৈও অধিক
- ১৮,৭০০ কোটি টকাৰ পিএম কিষাণ পুঁজিৰ হস্তান্তৰ
- পিএম ফচল বীমা যোজনাত ৬,৪০০ কোটি টকাৰ দাবী নিষ্পত্তি



# পশুধনঃ ক’ভিডৰ সময়ত গ্ৰহণ কৰা অতিৰিক্ত পদক্ষেপসমূহ

- লকডাউনৰ সময়ছোৱাত গাখীৰৰ চাহিদা ২০-২৫% হ্ৰাস হৈছে
- দৈনিক ৩৬০ লাখ লিটাৰ প্ৰতি দিনৰ ক্ৰয়ৰ বিপৰীতে ৫৬০ লাখ লিটাৰ প্ৰতিদিনে সমবায়সমূহে ক্ৰয় কৰিছে।
- মুঠ ১১১ কোটি লিটাৰ অতিৰিক্ত ক্ৰয়ৰ দ্বাৰা ৪১০০ কোটি টকাৰ লেনদেন নিশ্চিত হৈছে।
- ২০২০-২১ৰ বাবে দুগ্ধ সমবায়সমূহলৈ বাৰ্ষিক সুতৰ অনুদান @২% প্ৰদানৰ এক নতুন আঁচনি মুকলি কৰা হৈছে।
- অতিৰিক্ত ২% প্ৰতি বছৰে সুতৰ অনুদান তৎকালীন পৰিশোধ/সুতৰ ছাৰ্ভিচিঙত।
- এই আঁচনিয়ে ৫০০০ কোটি টকাৰ নগদী অতিৰিক্তভাৱে মুকলি কৰিব, উপকৃত হ’ব ২ কোটি কৃষক



## ফিছাৰী: ক’ভিডৰ সময়ত গ্ৰহণ কৰা অতিৰিক্ত পদক্ষেপসমূহ

- **ফিছাৰীসমূহৰ বাবে গ্ৰহণ কৰা  চাৰিটা ঘোষণাৰ ৰূপায়ন কৰা হৈছে**
  - শ্ৰিম্প ব্ৰুডষ্ট’কৰ আমদানিৰ ছেনিটেৰী ইম্প’ৰ্ট পাৰ্মিট (এছআইপি)ৰ বৈধতা ৩ মাহলৈ বৃদ্ধি কৰা হৈছে
  - ব্ৰুডষ্টক কনছাইনমেন্ট আহি পোৱাৰ পিছত ১মাহ পৰ্যন্ত বিলম্ব মাৰ্জনা
  - বাতিল হোৱা কনছাইনমেন্টৰ বাবে কোনো অতিৰিক্ত মাচুল নোহোৱাকৈ কোৱাৰেণ্টাইন কিউবিকলছৰ পুনৰ বুকিঙৰ অনুমতি
  - নথি-পত্ৰৰ বৈধতাকৰণ আৰু কোৱাৰেণ্টাইনৰ এনঅ’চিৰ অনুমোদন ৭ দিনৰ পৰা ৩ দিনলৈ শিথিল কৰা হৈছে
- **৩১.০৩.২০২০ তাৰিখে ম্যাদ উকলিবলগীয়া ২৪২ পঞ্জীকৃত শ্ৰিম্প হেটচাৰী আৰু নাওপ্লি ৰিয়েৰিং হেটচাৰীৰ পঞ্জীয়ন ৩ মাহলৈ বৃদ্ধি কৰা হৈছে**
- **আন্তঃদেশীয় ফিছাৰীক সামৰি ল’বলৈ মেৰিন কেপচাৰ ফিছাৰীজ আৰু একুৱাকালছাৰৰ গতিবিধি শিথিল কৰা হৈছে**





# कृषि



सत्यमेव जयते
Goverment Of India

# আন্তঃগাঁথনি, লজিষ্টিক আৰু সামৰ্থ নিৰ্মাণ শক্তিশালী কৰাৰ পদক্ষেপসমূহ

# কৃষক সকলৰ বাবে ফাৰ্ম-গে’ট আন্তঃগাঁথনিৰ উদ্দেশ্যে ১ লাখ কোটি টকাৰ কৃষি আন্তঃগাঁথনি পুঁজি

- ফাৰ্ম-গে’টৰ সমীপত শীতলীকৃত শৃংখলা আৰু পচ্ছাদ ফচল ব্যৱস্থাপনাৰ আন্তঃগাঁথনিৰ অভাৱৰ ফলত মূল্য শৃংখলাত ব্যৱধানৰ সৃষ্টি হৈছে।
- হ্ৰস্বকালীন শস্যৰ ঋণত গুৰুত্ব প্ৰদান কৰা হৈছে যদিও দীৰ্ঘকালীন কৃষি আন্তঃগাঁথনিত বিনিয়োগ এতিয়াও পৰ্যাপ্ত নহয়।
- ফাৰ্ম-গে’ট আৰু একত্ৰীকৰণ পইণ্ট (প্ৰাথমিক কৃষিজাত সমবায় ছ’চাইটি, কৃষক উৎপাদক সংস্থা, কৃষি উদ্যম, ষ্টাৰ্ট-আপ ইত্যাদি)ত কৃষি আন্তঃগাঁথনি প্ৰকল্পসমূহৰ বিত্তপোষণৰ বাবে ১,০০,০০০ কোটি টকাৰ বিত্তীয় সাহায্য প্ৰদান কৰা হ’ব।
- ফাৰ্ম-গে’ট আৰু একত্ৰীকৰণ পইণ্ট, ব্যয়সাধ্য আৰু বিত্তীয়ভাৱে সক্ষম পচ্ছাদ ফচল ব্যৱস্থাপনা আন্তঃগাঁথনিৰ বিকাশৰ বাবে উদ্দীপনা
- পুঁজিসমূহ তৎকালীনভাৱে গঠন কৰা হ’ব



# ক্ষুদ্ৰ খাদ্য উদ্যোগ (MFE) ৰ আনুষ্ঠানিকৰণৰ বাবে ১০,০০০ কোটি টকাৰ আঁচনি

- প্ৰধানমন্ত্ৰীৰ দৰ্শন "*গোলকীয় বিস্তাৰৰ বাবে থলুৱা সামগ্ৰীৰ প্ৰচাৰ*" ৰ প্ৰসাৰৰ বাবে আঁচনি
- এফএছএছএআইৰ খাদ্য মানক, ব্ৰেণ্ড নিৰ্মাণ আৰু বিপণনৰ পৰ্যায় স্পৰ্শৰ বাবে অসংগঠিত এমএফইসমূহক প্ৰযুক্তিগত উত্তৰণৰ প্ৰয়োজন
- উপৰোক্ত লক্ষ্যসমূহত উপনীত হ'বলৈ ২ লাখ এমএফইক সাহায্য প্ৰদানৰ উদ্দেশ্যে এক আঁচনি মুকলি কৰা হ'ব
- বৰ্তমানৰ ক্ষুদ্ৰ খাদ্য উদ্যোগ, কৃষক উৎপাদক সংস্থা, আত্মসহায়ক গোট আৰু সমবায়সমূহক সহায় আগবঢ়োৱা হ'ব
- ক্লাষ্টাৰভিত্তিক পদক্ষেপ (যেনে উত্তৰ প্ৰদেশত আম, জম্মু-কাশ্মীৰত কেশৰ, উত্তৰ পূৰ্বাঞ্চলত বাঁহৰ গাজ, অন্ধ্ৰ প্ৰদেশৰ জলকীয়া, তামিলনাডুৰ টাপিঅ'কা ইত্যাদি)
- **আশা কৰা ফলাফলসমূহঃ** উন্নত স্বাস্থ্য আৰু সুৰক্ষা মানক, খুচুৰা বজাৰৰ সৈতে যোগাযোগ, উন্নত উপাৰ্জন
- উন্নীত স্বাস্থ্য চেতনাৰ প্ৰতি লক্ষ্য ৰাখি এই পৰ্যন্ত সূচনা নোহোৱা ৰপ্তানিৰ বজাৰ মুকলি হোৱাতো সহায় কৰা হ'ব



# প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনা (PMMSY) ৰ জৰিয়তে মাছমৰীয়াসকলৈ ২০,০০০ কোটি টকা

- ফিছাৰীসমূহৰ মূল্য শৃংখলাত গুৰুতৰ ব্যৱধান
- সামুদ্ৰিক আৰু আন্তঃদেশীয় ফিছাৰীসমূহৰ সংঘবদ্ধ, বহনক্ষম, সমন্বিত বিকাশৰ বাবে চৰকাৰে PMMSY আৰম্ভ  কৰিব।
- সামুদ্ৰিক, আন্তঃদেশীয় ফিছাৰী আৰু জলজ উদ্ভিদৰ খেতি সম্পৰ্কীয় গতিবিধিৰ বাবে **১১,০০০ কোটি টকা**
- **আন্তঃগাঁথনিৰ বাবে ৯০০০ কোটি টকা**- ফিছিং হাৰ্বাৰ, শীতল শৃংখল, বজাৰ ইত্যাদি
- কেজ কালচাৰ, ছীউইড ফাৰ্মিং, আলংকৰিক মীনপালন লগতে নতুন ফিছিং ভেচেল, সন্ধানসাধ্য, গৱেষণাগাৰৰ নেটৱৰ্ক ইত্যাদিসমূহ প্ৰধান গতিবিধি হ'ব
- মাছমৰীয়াসকলৈ 'বেন পিৰিয়ড' সাহায্য (যি সময়ত মাছ মাৰিবলৈ নিষেধ কৰা হয়), ব্যক্তিগত আৰু নাৱৰ বীমাৰ সাহায্য
- ৫ বছৰত ৭০ লাখ টন অতিৰিক্ত মৎস্য উৎপাদন হ'ব
- ৫৫ লাখতকৈও অধিক লোকৰ কৰ্ম সংস্থাপন; ১,০০,০০০ কোটি টকা পৰ্যন্ত দ্বিগুণ ৰপ্তানি
- দ্বীপপুঞ্জ, হিমালয়ান ৰাজ্যসমূহ, উত্তৰ-পূৰ্বাঞ্চল আৰু প্ৰত্যাশী জিলাসমূহত গুৰুত্ব আৰোপ কৰা হ'ব



# ৰাষ্ট্ৰীয় পশু ৰোগ নিয়ন্ত্ৰণ কাৰ্যসূচী

- মুঠ ১৩,৩৪৩ কোটি টকাৰ ব্যয়ৰ সৈতে ভৰি আৰু মুখৰ ৰোগ (এফএমডি) তথা ব্ৰুচেল’ছিছৰ বাবে ৰাষ্ট্ৰীয় পশু ৰোগ নিয়ন্ত্ৰণ কাৰ্যসূচী মুকলি কৰা হৈছে
- ইয়াৰ জৰিয়তে মুখৰ ৰোগ (এফএমডি) তথা ব্ৰুচেল’ছিছৰ বাবে গৰু, ম’হ, ভেড়া, ছাগলী আৰু গাহৰিৰ (মুঠ ৫৩ কোটি পশু) ১০০% টীকাকৰণ নিশ্চিত হৈছে
- আজি তাৰিখলৈ ১.৫ কোটি গৰু আৰু ম’হক চিহ্নিত কৰি আৰু টীকাকৰণ কৰা হৈছে



# পশুধন আন্তঃগাঁথনি বিকাশ পুঁজি-১৫,০০০ কোটি টকা

- দেশৰ বিভিন্ন প্ৰান্তত য’ত গাখীৰৰ উষ্চ মাত্ৰাত উৎপাদন হয়, সেই স্থানসমূহত দুগ্ধশালাসমূহত ব্যক্তিগত বিনিয়োগৰ যথেষ্ট সম্ভাৱনা আছে
- দুগ্ধশালাৰ প্ৰক্ৰিয়াকৰণ, মূল্য সংযোজন আৰু গৰু-ম’হৰ দানা যোগানৰ আন্তঃগাঁথনিত ব্যক্তিগত বিনিয়োগৰ সমৰ্থনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে
- ১৫,০০০ কোটি টকাৰ এক পশুধন আন্তঃগাঁথনি বিকাশ পুঁজি গঠন কৰা হ’ব
- যথাযোগ্য সামগ্ৰীৰ ৰপ্তানিৰ কাৰখানা স্থাপনত সাহায্য প্ৰদান কৰা হ’ব।



# ঔষধি উদ্ভিদৰ কৃষিৰ উত্তৰণঃ ৪০০০ কোটি টকা

- ঔষধজাতীয় উদ্ভিদৰ খেতিৰ বাবে ২.২৫ লাখ হেক্টৰ ভূমিত নেচনেল মেডিচিনেল প্লান্টছ্ ব’ৰ্ড (এনএমপিবি)য়ে  সমৰ্থন আগবঢ়াইছে
- আগন্তুক দুটা বছৰত ৪০০০ কোটি টকাৰ ব্যয়েৰে ঔষধজাতীয় উদ্ভিদৰ কৃষিত ১০,০০,০০০ হেক্টৰ ভূমি সামৰি লোৱা হ’ব
- ইয়াৰ জৰিয়তে কৃষকসকলৰ বাবে ৫,০০০ কোটি টকা  উপাৰ্জনৰ পথ মুকলি হ’ব
- ঔষধজাতীয় উদ্ভিদৰ বাবে আঞ্চলিক বজাৰসমূহৰ নেটৱৰ্ক
- এনএমপিবিয়ে ৮০০ হেক্টৰ ভূমিৰ সৈতে  গংগা নদীৰ পাৰত ঔষধজাতীয় উদ্ভিদৰ এক ক’ৰিডৰ বিকশিত কৰিব



# মৌ-পালনৰ পদক্ষেপ – ৫০০ কোটি টকা

- গ্ৰামাঞ্চলত মৌ-পালন জীৱিকাৰ এক উপায়
- পৰাগযোগৰ দ্বাৰা শস্যসমূহৰ উপজ আৰু গুণগতমান বৃদ্ধি
- মৌ আৰু মমৰ দৰে মৌবাহৰ অন্যান্য সামগ্ৰী প্ৰদান কৰে

**চৰকাৰে নিম্নোক্তসমূহৰ বাবে এক আঁচনি প্ৰণয়ন কৰিবঃ**

- সংঘবদ্ধ মৌ-পালন বিকাশ কেন্দ্ৰ, সংগ্ৰহ, বিপণন আৰু সঞ্চয় কেন্দ্ৰ, পচ্ছাদ ফচল আৰু মূল্য সংযোজন সুবিধা ইত্যাদি সম্পৰ্কীয় আন্তঃগাঁথনিসমূহৰ বিকাশ
- মানসম্পন্ন আৰু বিকশিত সন্ধানযোগ্য প্ৰণালীৰ প্ৰণয়ন
- মহিলাক জড়িত কৰি সামৰ্থ বিকাশ
- গুণগতমানৰ নিউক্লিয়াছ ষ্টক আৰু মৌ প্ৰজননকাৰীৰ বিকাশ

**ইয়াৰ জৰিয়তে ২ লাখ মৌ পালকৰ  উপাৰ্জন বৃদ্ধি হ’ব আৰু গ্ৰাহকে গুণগতমানৰ মৌ লাভ কৰিব পাৰিব।**



# ‘TOP’ৰ পৰা 'TOTAL'লৈ – ৫০০ কোটি টকা

- যোগান শৃংখল ব্যাহত হৈছে আৰু কৃষকসকলে বজাৰত তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰিব পৰা নাই
- সোনকালে নষ্ট হোৱা ফল-মূল আৰু শাক-পাচলিৰ দুৰ্দশাজড়িত বিক্ৰী আৰু মূল্যৰ প্ৰতিৰোধ কৰাটো আৱশ্যক।
- বিলাহী, পিয়াঁজ আৰু আলু (TOP)ৰ পৰা সকলো ফল-মূল আৰু শাক-পাচলিলৈ (TOTAL) ‘**অপাৰেচন গ্ৰীণ**’ সম্প্ৰসাৰণ কৰা হ’ব।

**আঁচনিখনত নিম্নোল্লিখিত বৈশিষ্টসমূহ থাকিবঃ**

- অতিৰিক্তৰ পৰা নাটনি হোৱা বজাৰলৈ পৰিবহণত ৫০%ৰ সাহায্য
- শীতলীকৃত সঞ্চয়কে ধৰি সঞ্চয়ৰ ৫০% সাহায্য
- **৬ মাহৰ বাবে পাইলট প্ৰকল্প** - ইয়াক সম্প্ৰসাৰিত তথা বৃদ্ধি কৰা হ’ব
- **আশা কৰা ফলাফলসমূহ**- কৃষকে উন্নত দাম লাভ কৰিব, অপব্যয় হ্ৰাস হ’ব, গ্ৰাহকসকলে সামগ্ৰীসমূহ ব্যয়সাধ্য মূল্যত লাভ কৰিব





सत्यमेव जयते
Goverment Of India

# শাসন আৰু প্ৰশাসনিক সংশোধনসমূহ

# কৃষকসকলে উন্নত মূল্য লাভ কৰিব পৰাকৈ অত্যাৱশ্যকীয় সামগ্ৰী (EC) আইনৰ সংশোধন

- অভাৱৰ সময়ছোৱাত EC আইন, ১৯৫৫ প্ৰণয়ন কৰা হৈছিল
- বিনিয়োগকাৰীক আকৰ্ষিত কৰি আৰু কৃষিখণ্ডক অধিক প্ৰতিযোগিতামূলক কৰি কৃষকসকলে উন্নত মূল্য লাভ কৰিব পৰা ব্যৱস্থাৰ প্ৰয়োজন
- ধানজাতীয় শস্য, খোৱা তেল, তৈল বীজ, দাইল, পিয়াঁজ আৰু আলুকে ধৰি কৃষিজাত খাদ্য-সামগ্ৰীসমূহৰ নিয়ন্ত্ৰণৰ নিষেধাজ্ঞা দূৰ কৰা হ'ব
- ৰাষ্ট্ৰীয় দুৰ্যোগ, মূল্য বৃদ্ধিৰ লগতে দুৰ্ভিক্ষ আদিৰ দৰে প্ৰতিকূল পৰিস্থিতিসমূহৰ বাবে সঞ্চয় সীমা ধাৰ্য কৰা হ'ব
- প্ৰক্ৰিয়াকাৰী অথবা মূল্য শৃংখলাৰ অংশগ্ৰহণকাৰীসকলৰ বাবে তেওঁলোকৰ স্থাপিত সামৰ্থ অথবা কোনো ৰপ্তানি চাহিদাৰ পৰিপ্ৰেক্ষিতত কোনো সঞ্চয় সীমা প্ৰযোজ্য নহ'ব।
- **চৰকাৰে অত্যাৱশ্যকীয় সামগ্ৰী আইনৰ সংশোধন কৰিব।**



# কৃষকসকলক বজাৰৰ বাচনিৰ সুবিধা প্ৰদান কৰিবলৈ কৃষিজাত বিপণনৰ সংশোধন

- কৃষকসকলে কৃষিজাত উৎপাদন কেৱল এপিএমচিসমূহৰ অনুজ্ঞাপত্ৰ প্ৰাপ্তসকলক হে বিক্ৰী কৰাৰ বাবে বাধ্য।
- বিক্ৰীৰ তেনে ধৰণৰ নিষেধাজ্ঞা কোনো ঔদ্যোগিক উৎপাদনৰ বাবে নাথাকে
- ফলত কৃষিজাত উৎপাদনৰ মুক্ত সংবহন বাধাৰ সৃষ্টি হয় আৰু বজাৰ তথা যোগান শৃংখলত বিচ্ছিন্নতাৰ সৃষ্টি হয়
- কৃষকে নিম্ন মূল্য লাভ কৰে

**এক কেন্দ্ৰীয় আইন প্ৰণয়ন কৰা হ’ব যিয়ে-**

- আকৰ্ষণীয় মূল্যত উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰাৰ পৰ্যাপ্ত সুবিধা প্ৰদান কৰিব
- আন্তঃৰাজ্যিক বাণিজ্যত বাধাসমূহ আঁতৰাব
- কৃষিজাত সামগ্ৰীৰ ই-বাণিজ্যৰ পৰিকাঠামোৰ সৃষ্টি কৰিব



# কৃষিজাত উৎপাদনৰ মূল্য আৰু গুণগতমানৰ নিশ্চিতি

- ফচল চপোৱাৰ সময়ত অনুমানযোগ্য মূল্যৰ বাবে কৃষকসকলৰ কাৰ্যকৰী মানসম্পন্ন পদ্ধতিৰ অভাৱ হয়
- কৃষিখণ্ডত বিনিয়োগ আৰু ব্যৱহাৰিক জ্ঞানৰ ব্যৱস্থাত ব্যক্তিগত খণ্ডৰ বিনিয়োগৰ বাধাৰ সৃষ্টি হৈছে
- সুবিধাজনক আইনী পৰিকাঠামো সৃষ্টিৰ জৰিয়তে কৃষকসকলক প্ৰক্ৰিয়াকাৰী, সমন্বয়ক, বৃহৎ খুচুৰা ব্যৱসায়ী, ৰপ্তানিকাৰী ইত্যাদি সকলৰ সৈতে পৰিষ্কাৰ তথা নিকাভাৱে সংঘবদ্ধ কৰোৱা হ’ব।
- কৃষকসকলৰ বাবে ক্ষতিশংকাৰ সমাধান, নিশ্চিত ৰিটাৰ্ণ আৰু গুণগতৰ মানকীকৰণ পৰিকাঠামোৰ সৰ্বাত্মক অংশ হ’ব।



# धन्यवाद